**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-03-2026
**Time :** 17-15 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যত বিভিন্ন ৰাজনেতিক দলৰ প্ৰাৰ্থী বাচনি, মনোনয়ন দাখিলকে ধৰি তৎপৰতা অব্যাহত।

২। কংগ্ৰেছ দলৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ আজি ভাৰতীয় জনতা পাৰ্টীত যোগদান।

৩। বিধানসভা নিৰ্বাচন নিকা আৰু স্বচ্ছভাৱে পৰিচালনা কৰাৰ লক্ষ্যৰে বিভিন্ন জিলাত জিলা আয়ুক্তৰ কাৰ্যালয়ত ই ভি এম আৰু ভি ভি পেটসমূহৰ ৰেণ্ডোমাইজেছন সম্পন্ন। ***আৰু***

৪। নিৰ্বাচন আয়োগে ৰাজ্যত বিধানসভা নিৰ্বাচন নিয়াৰিকৈ পৰিচালনাৰ বাবে নিয়োগ কৰা কেইবাগৰাকীও পৰ্যবেক্ষক সংশ্লিষ্ট জিলাত উপস্থিত। ০০০

০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলে প্ৰাৰ্থী বাছনি, প্ৰচাৰ, মনোনয়ন দাখিলকে ধৰি তৎপৰতা অব্যাহত ৰাখিছে। ইয়াৰ লগতে কেইবাগৰাকীও প্ৰাৰ্থীয়ে অন্য ৰাজনৈতিক দলত আনুষ্ঠানিকভাৱে যোগ দিছে। শাসনাধিষ্ঠিত বিজেপিয়ে আজি নিশা বা কাইলৈৰ ভিতৰত প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে ঘোষণা কৰিছে। নতুন দিল্লীত বিজেপিৰ জ্যেষ্ঠ নেতা ড০ শৰ্মাই কেন্দ্ৰীয় নেতৃত্বৰ সৈতে আলোচনা কৰি আজিৰ ভিতৰত চূড়ান্ত সিদ্ধান্ত লোৱা হ'ব বুলি প্ৰকাশ কৰিছে। ইপিনে কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা তথা নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে আজি আনুষ্ঠানিকভাৱে বিজেপিত যোগ দিয়ে। দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, ড০ হিমন্ত বিশ্ব শৰ্মা, পবিত্ৰ মাৰ্ঘেৰিটা আৰু কামাখ্যা প্ৰসাদ তাছাৰ উপস্থিতিত শ্ৰীবৰদলৈয়ে দলটোত যোগ দিয়ে। কালি সাংসদগৰাকীয়ে দল ত্যাগৰ সিদ্ধান্তৰ বিষয়ে প্ৰকাশ কৰি কেন্দ্ৰীয় নেতৃত্বলৈ পত্ৰ প্ৰেৰণ কৰিছিল। নেতাগৰাকীৰ দল ত্যাগ দুৰ্ভাগ্যজনক যদিও ইয়াৰ ফলত দলৰ নিৰ্বাচনী কাম-কাজ কোনো কাৰণতে ক্ষতিগ্ৰস্ত বা প্ৰভাৱন্বিত নহয় বুলি দলৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে প্ৰকাশ কৰে–

**বাইট (গৌৰৱ গগৈ)**

ইপিনে মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড০ শৰ্মাই সাংসদগৰাকীক দলটোলৈ আদৰণি জনাইছে–

**বাইট (চি এম)**

কংগ্ৰেছ দলে এতিয়ালৈ দুখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। দলটোৱে অসম জাতীয় পৰিষদ, চি পি আই এম, এ পি এইচ এল চি আৰু চি পি আই এম এলৰ দলৰ লগত মিত্ৰতাৰে নিৰ্বাচনত অৱতীৰ্ণ হ'ব।

অসম জাতীয় পৰিষদ দলে ৮টা সমষ্টিৰ বাবে প্ৰথমখন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। এ আই ইউ ডি এফ দলে এতিয়ালৈ ২১টা সমষ্টিৰ বাবে প্ৰাৰ্থী ঘোষণা কৰিছে। একেদৰে ইউ পি পি এল দলে ৭টা সমষ্টিৰ বাবে আৰু চি পি আই এম এল দলে দুটা সমষ্টিৰ বাবে প্ৰাৰ্থী ঘোষণা কৰিছে। আম আদমী পাৰ্টিয়ে ১৪টা সমষ্টিৰ বাবে আৰু ৰাইজৰ দলে ১১টা সমষ্টিৰ বাবে প্ৰাৰ্থী তালিকা ঘোষণা কৰিছে। বি পি এফ দলে পৰহিলৈ প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব বুলি বিটিচিৰ মুৰববী হাগ্ৰামা মহিলাৰীয়ে প্ৰকাশ কৰিছে।

ইপিনে বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও প্ৰাৰ্থীয়ে মনোনয়ন সংগ্ৰহ কৰাৰ লগতে প্ৰচাৰ অভিযানো আৰম্ভ কৰিছে। অসম জাতীয় পৰিষদৰ নেতা লুৰীণজ্যোতি গগৈয়ে প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া খোৱাং সমষ্টিৰ পৰা আজি প্ৰচাৰ আৰম্ভ কৰিব। বৰপেটা জিলাৰ ৪টা বিধানসভা সমষ্টিৰ ভিতৰত মন্দিয়া সমষ্টিৰ বাবে আজি প্ৰথমখন মনোনয়ন এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে দাখিল কৰে।

ooooo

সমাগত বিধানসভা নিৰ্বাচন নিকা আৰু স্বচ্ছতাৰে পৰিচালনা কৰাৰ লক্ষ্যৰে আজি বৰপেটা জিলা আয়ুক্তৰ কাৰ্যালয়ত ই ভি এম আৰু ভি ভি পেট যন্ত্ৰসমূহৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ সম্পন্ন হয়। জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া ৰোহন কুমাৰ ঝাৰ তত্বাৱধানত অনুষ্ঠিত পৰীক্ষণ প্ৰক্ৰিয়াত জিলা আয়ুক্তগৰাকীয়ে কয়, যে শৃংখলাবদ্ধ, মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসন সম্পূৰ্ণৰূপে দায়বদ্ধ। এই পৰীক্ষণ প্ৰক্ৰিয়াত অতিৰিক্ত জিলা আয়ুক্ত, সহকাৰী আয়ুক্ত আদিৰ লগতে স্বীকৃত ৰাষ্ট্ৰীয় আৰু আঞ্চলিক ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধি উপস্থিত থাকে। ভোটগ্ৰহণ সঁজুলি বাচনিৰ ক্ষেত্ৰত এনে কাৰিকৰী পদ্ধতিৰ প্ৰয়োগে নিৰ্বাচনী প্ৰক্ৰিয়াৰ নিৰপেক্ষতা আৰু বিশ্বাসযোগ্যতাক অধিক শক্তিশালী কৰি তুলিছে বুলিও জিলা আয়ুক্ত শ্ৰীঝাই মন্তব্য কৰে।

নগাওঁ জিলাতো আজি জিলাখনৰ অন্তৰ্গত ৭ টাকৈ বিধানসভা সমষ্টিত সমাগত নিৰ্বাচন প্ৰক্ৰিয়া নিকা আৰু স্বচ্ছতাৰে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে ই ভি এম আৰু ভি ভি পেটসমূহৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ সফলতাৰে সমাপ্ত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এই পৰীক্ষণ প্ৰক্ৰিয়াত জিলা আয়ুক্ত দেৱাশীষ শৰ্মা উপস্থিত থকাৰ লগতে স্বীকৃত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধি উপস্থিত থাকে। ইয়াৰ লগতে নিৰ্বাচন বিষয়া শেখৰন ফুকন আৰু অতিৰিক্ত সহকাৰী আয়ুক্ত তেজশ অগ্নিহোত্ৰী তথা নিৰ্বাচন কাৰ্যালয়ৰ বিষয়ববীয়া আৰু কৰ্মচাৰীসকলে এই প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে।

ooooo

নিৰ্বাচন আয়োগে ৰাজ্যখনত বিধানসভা নিৰ্বাচন নিয়াৰিকৈ পৰিচালনাৰ বাবে নিয়োগ কৰা কেইবাগৰাকীও পৰ্যবেক্ষক আজি সংশ্লিষ্ট জিলাত উপস্থিত হৈছে। বজালী জিলাৰ দুটা সমষ্টিৰ বাবে সাধাৰণ পৰ্যবেক্ষক হিচাপে নিয়োগ কৰা ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া এছ্ গণেশ আজি জিলাখনত উপস্থিত হয়। সমষ্টি দুটাৰ বাবে ব্যয় পৰ্যবেক্ষকৰূপে নিয়োগ কৰা ভাৰতীয় ৰাজহ সেৱা বিষয়া ধীৰেন্দ্ৰ কুমাৰো আজি বজালীত উপস্থিত হৈছে। উল্লেখযোগ্য যে ৰাজ্যখনত আসন্ন নিৰ্বাচনৰ বাবে ১৩৬ গৰাকী কেন্দ্ৰীয় পৰ্যবেক্ষক নিয়োগ কৰা হৈছে। ইয়াৰে ৫১ গৰাকী সাধাৰণ, ৫০ গৰাকী ব্যয় আৰু ৩৫ গৰাকী আৰক্ষী পৰ্যবেক্ষক। এই পৰ্যবেক্ষকসকলে নিৰ্বাচন বিষয়ক ওজৰ-আপত্তি দাখিলৰ বাবে প্ৰাৰ্থী, ৰাজনৈতিক দল আৰু ৰাইজৰ প্ৰতিনিধিৰ সাক্ষাতৰ বাবে সময় নিৰ্দিষ্ট কৰি দিব। নিৰ্বাচন আয়োগে লগতে ৰাজনৈতিক দল, বিষয়া আৰু মন্ত্ৰীসকললৈও

বিশেষ নীতি-নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি মন্ত্ৰীসকলক চৰকাৰী কৰ্তব্যৰ সৈতে নিৰ্বাচনী প্ৰচাৰক এককাৰ নকৰিবলৈ তথা নিৰ্বাচনী প্ৰচাৰত চৰকাৰী যন্ত্ৰ, ব্যক্তি বা পৰিবহণ ব্যৱহাৰ নকৰিবলৈ নিৰ্দেশ দিয়া হৈছে। একেদৰে চৰকাৰী বিষয়াসকলক নিৰ্বাচনী আদৰ্শ আৰু নিৰপেক্ষতা বৰ্তাই ৰাখিবলৈ তথা ৰাজনৈতিক দলসমূহক সভা, সমদলৰ বিষয়ে আগতীয়াকৈ আৰক্ষীক অৱগত কৰিবলৈ আৰু নিষেধাজ্ঞাসমূহ মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছে।

ooooo

সমাগত বিধানসভা নিৰ্বাচন স্বচ্ছ, নিকা আৰু শান্তিপূৰ্ণভাৱে আনুষ্ঠিত কৰাৰ লক্ষ্যৰে ৰাজ্যৰ বিভিন্ন ঠাইত জিলা প্ৰশাসনে আৰক্ষীৰ সহযোগত তৎপৰতা অব্যাহত ৰাখিছে। ইয়াৰে অংশ হিচাপে আজি দক্ষিণ শালমাৰা - মানকাচৰ জিলাত আৰক্ষীয়ে আজি ফ্লেগমাৰ্চ কাৰ্যসূচী ৰূপায়িত কৰে। জিলাৰ সদৰ হাতশিঙিমাৰীত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত এই কাৰ্যসূচীত আৰক্ষী আৰু সীমান্ত সুৰক্ষা বাহিনীৰ জোৱানসকলে অংশগ্ৰহণ কৰে। জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰ শীতল কুমাৰৰ নেতৃত্বত অনুষ্ঠিত এই কাৰ্যসূচীত অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰতাপ দাসৰ লগতে বিভিন্ন থানা আৰু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াসকল উপস্থিত থাকে। এই কাৰ্যসূচীত অসম আৰক্ষীৰ উপৰিও সীমান্ত সুৰক্ষা বাহিনীৰ জোৱানসকলে অংশগ্ৰহণ  কৰে। জনসাধাৰণৰ মাজত নিৰাপত্তা আৰু আস্থাৰ  বাৰ্তা প্ৰেৰণ কৰাই এই কাৰ্যসূচীৰ মূল উদ্দেশ্য। ইয়াৰ জৰিয়তে ভোটাদাতাসকলক নিৰ্ভয়ে নিজৰ ভোটধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনোৱা হৈছে।

ooooo

ৰাজ্যত নিৰ্বাচনী আচৰণবিধি বলৱৎ হৈ থকাৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী পৌৰ নিগমে অবৈধভাৱে লগোৱা বিজ্ঞাপনৰ বিৰুদ্ধে গুৱাহাটী মহানগৰীত অভিযান চলাইছে। পৌৰ নিগমৰ দলে নিৰ্বাচনী আচৰণবিধি উলংঘা কৰা হৰ্ডিং, বেনাৰ, চাইন ব'ৰ্ড, প'ষ্টাৰ আদি মহানগৰীৰ বিভিন্ন পথৰ পৰা ইতিমধ্যে আঁতৰাই পেলোৱা পৰিলক্ষিত হৈছে। গুৱাহাটী পৌৰ নিগমে সকলোকে নিৰ্বাচনী আচৰণবিধি তথা ব্যৱস্থাসমূহ মানি চলিবলৈ আহ্বান জনাইছে। ইয়াৰ অন্যথা জৰিমণা বিহা হ'ব বুলি নিগমৰ সূত্ৰই সকিয়াই দিছে।

ooooo

ঃঃ সমাপ্ত ঃঃ